# অসম বিধান সভা

## তৰাচিহ্নিত প্ৰশ্ন নং : ১৪৩

## উত্তৰ দিয়া তাৰিখ : ০৪-০৮-২০২১

বিষয়ঃ - পশুপালন তথা পশু চিকিৎসা কেন্দ্ৰ আৰু চিকিৎসালয় স্থাপন।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, বিধায়ক**

মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিত কিমানটা পশু চিকিৎসা কেন্দ্ৰ আৰু পশু চিকিৎসালয় আছে ? এই চিকিৎসা কেন্দ্ৰ আৰু চিকিৎসালয় সমূহত কিমানজন ক্ষেত্ৰ সহায়ক আৰু চিকিৎসক কৰ্মৰত হৈ আছে ? চিকিৎসা কেন্দ্ৰ আৰু চিকিৎসালয় ভিত্তিত তালিকা সদনত উপস্থাপন কৰিব।

(খ) এখনো নগৰ নথকা গাঁও প্ৰধান সমষ্টিটোৰ জীৱিকাৰ প্ৰাথমিক মাধ্যম হৈছে কৃষি আৰু পশু-পালন। এই কৃষি আৰু পশুপালনক ত্বাৰন্বিত কৰাৰ স্বাৰ্থত নতুনকৈ পশু চিকিৎসা কেন্দ্ৰ আৰু পশু চিকিৎসালয় স্থাপন কৰাৰ বাবে বিভাগে অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰিবনে ?

(গ) অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিত পশু পালন বিভাগৰ কি কি ৰাজ সাহায্যযুক্ত আঁচনি চলি আছে ? এই আঁচনিৰ দ্বাৰা কিমানজন হিতাধিকাৰী বিগত পাঁচটা বৰ্ষত উপকৃত হৈছে ? সদনত বিতং তথ্য দাখিল কৰিব।

**-: উত্তৰ :-**

মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা মহোদয়ে উত্তৰ দিব :

(ক) অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিত ৫ খন পশু চিকিৎসালয় আৰু ৩ খন পশু চিকিৎসা উপ-কেন্দ্ৰ আছে। এই পশু চিকিৎসালয় আৰু পশু চিকিৎসা উপ-কেন্দ্ৰ সমূহত ৫ গৰাকী পশু চিকিৎসা বিষয়া আৰু ৫ গৰাকী ক্ষেত্ৰ সহায়ক কৰ্মৰত হৈ আছে। বিতং তথ্য তলত উল্লেখ কৰা হ'ল-

পশুচিকিৎসালয়ঃ

| পশু চিকিৎসালয়ৰ নাম | কৰ্মৰত পশু চিকিৎসা বিষয়াৰ সংখ্যা | কৰ্মৰত ক্ষেত্ৰ সহায়কৰ সংখ্যা | মন্তব্য |
|---|---|---|---|
| মাণিকপুৰ ৰাজ্যিক পশু চিকিৎসালয়/ মাণিকপুৰ খণ্ড পশু চিকিৎসালয়/ মাণিকপুৰ কৃত্ৰিম প্ৰজনন কেন্দ্ৰ (একেটা চৌহদত) | ৩ | ২ | |
| সৃজনগ্ৰাম খণ্ড পশু চিকিৎসালয় | ১ | ১ | |
| ৰঙাপানী ৰাজ্যিক পশু চিকিৎসালয় | ১ | খালী | |

পশুচিকিৎসা উপ-কেন্দ্ৰঃ

| পশু চিকিৎসা উপ-কেন্দ্ৰৰ নাম | কৰ্মৰত পশু চিকিৎসা বিষয়াৰ সংখ্যা | কৰ্মৰত ক্ষেত্ৰ সহায়কৰ সংখ্যা | মন্তব্য |
|---|---|---|---|
| চকীহালি পশুচিকিৎসা উপ-কেন্দ্ৰ (অস্বীকৃত) | ---- | ১ (মাণিকপুৰ খণ্ড পশু চিকিৎসালয়ৰ পৰা) | |
| মৌখোৰা কৃত্ৰিম প্ৰজনন কেন্দ্ৰ (অস্বীকৃত) | ---- | ১ (মাণিকপুৰ খণ্ড পশু চিকিৎসালয়ৰ পৰা) | |
| চাকলা পশু চিকিৎসা উপ-কেন্দ্ৰ | ---- | খালী (পশুধন পৰিদৰ্শক এগৰাকীয়ে পশু চিকিৎসা সেৱা আগবঢ়াই আছে)। | |

(খ) বৰ্তমান নতুনকৈ পশুচিকিৎসা কেন্দ্ৰ আৰু পশুচিকিৎসালয় স্থাপন কৰাৰ পৰিকল্পনা নাই। ভৱিষ্যতে এই ক্ষেত্ৰত পুঁজি আবণ্টন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(গ) অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিত পশুপালন বিভাগৰ জৰিয়তে ৰাজসাহায্যযুক্ত আঁচনিৰ দ্বাৰা বিগত পাঁচটা বছৰত উপকৃত হোৱা হিতাধিকাৰীৰ তালিকা তলত উল্লেখ কৰা হ'ল-

| ৰাজসাহায্যযুক্ত আঁচনি | বিৱৰণ | উপকৃত হোৱা হিতাধিকাৰীৰ সংখ্যা | | | | |
|---|---|---|---|---|---|---|
| | | ২০১৬-১৭ | ২০১৭-১৮ | ২০১৮-১৯ | ২০১৯-২০ | ২০২০-২১ |
| ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা | ঘাঁহ খেতি (মাকৈ, সাৰ ইত্যাদি) | --- | --- | ২১৬ জন | --- | --- |
| ৰাজ্যিক আঁচনি | ঘাঁহ খেতি (মাকৈ, সাৰ ইত্যাদি) | --- | --- | --- | ১৬৬ জন | ৩৩ জন |
| | বিনামূলীয়া নেপিয়াৰ ঘাঁহ খেতি (শিপা) | ৭ জন | ১ জন | ৬ জন | ৫ জন | --- |
| ৰাষ্ট্ৰীয় পশুধন অভিযান (পশুধন বীমা আঁচনি) | পশুধন বীমা | --- | --- | ৪৯০ জন (পশুধনৰ সংখ্যা ৫৬৭ টা) | ৬২ জন (পশুধনৰ সংখ্যা ৭৭ টা) | ১৮০ জন (পশুধনৰ সংখ্যা ২৫৯ টা) |

-০০০-